بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

খোতবা জুমা

তেহেৰিক-এ-জাদিদৰ ৯২তম বৰ্ষত আগবঢ়োৱা আৰ্থিক ত্যাগসমূহৰ উল্লেখ আৰু ৯৩তম বৰ্ষৰ আৰম্ভণিৰ ঘোষণা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللَّهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسْمِ اللهِ الرَّحْمَنِ الرَّحِيمِ۔ الْحَمْدُ لِلَّهِ رَبِّ الْعَالَمِينَ۔ الرَّحْمَنِ الرَّحِيمِ۔ مَالِكِ يَوْمِ الدِّينِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ۔ اهْدِنَا الصِّرَاطَ الْمُسْتَقِيمَ۔ صِرَاطَ الَّذِينَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلَا الضَّالِّينَ۔

ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে মছজিদ মোবাৰক, ইছলামাবাদ টিলফর্ড (ইউ,কে)ত ৬ নৱেম্বৰ ২০২৬ চনত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ

তাশ্বাহুদ, তাউয আৰু ছুৰা আল-ফাতিহা তিলাৱত কৰাৰ পিছত হুজুৰ আনোৱাৰ আইয়্যাদাহুল্লাহু তা'লা বিনাছৰিহিল আজীজে কৈছে: আল্লাহ তা'লাই পবিত্র কোৰআনত কৈছে: لَنۡ تَنَالُوا الۡبِرَّ حَتّٰی تُنۡفِقُوۡا مِمَّا تُحِبُّوۡنَ অর্থাৎ, "তোমালোকে কেতিয়াও পুণ্য লাভ কৰিব নোৱাৰিবা যেতিয়ালৈকে তোমালোকে ভালপোৱা বস্তুসমূহৰ পৰা (আল্লাহৰ পথত) ব্যয় নকৰা।"

এটা হাদিছত উল্লেখ আছে যে যেতিয়া এই আয়াত অৱতীর্ণ হৈছিল, তেতিয়া হজৰত তালহা (ৰাঃ)-এ তেওঁৰ আটাইতকৈ মূল্যৱান বাগিচাখন—যাৰ নাম আছিল 'বাইৰুহা'—মহানবী (ছাঃ)-ৰ সেৱাত অর্পণ কৰি কৈছিল যে এয়াই মোৰ সবাতোকৈ প্রিয় সম্পত্তি। ইয়াৰ উপৰিও হাদিছসমূহত পোৱা যায় যে আন বহুতো ছাহাবী (ৰাঃ) আছিল, যিসকলে যেতিয়াই আর্থিক ত্যাগৰ আহ্বান জনোৱা হৈছিল, তেতিয়াই আগভাগ লৈছিল আৰু নিজৰ ধন-সম্পত্তি আঁহজৰত (ছাঃ)-ৰ সেৱাত আগবঢ়াইছিল। এই উজ্জ্বল নক্ষত্রসকল আজিও আমাৰ বাবে পথ-প্রদর্শক স্বৰূপ।

তাৰ পিছত আল্লাহ তা'লাৰ প্রতিশ্রুতি অনুসৰি যেতিয়া ইছলামৰ পুনৰুজ্জীৱনৰ (নৱজাগৰণৰ) যুগ আহিল, সেই যুগত হজৰত মছীহ মাওউদ (আঃ)-ৰ আহ্বানত তেখেতৰ ছাহাবীসকল (ৰাঃ) য়েও ত্যাগ স্বীকাৰ কৰিছিল; কিয়নো তেখেত (আঃ)য়ে ছাহাবীসকল (ৰাঃ) ক এই ত্যাগসমূহৰ তাৎপর্য উপলব্ধি কৰোৱাইছিল। হজৰত মছীহ মাওউদ (আঃ)-এ এঠাইত কৈছে যে অকামিলা আৰু মূল্যহীন বস্তু ব্যয় কৰি কোনো মানুহে পুণ্য অর্জন কৰাৰ দাবী কৰিব নোৱাৰে। পুণ্যৰ দুৱাৰখন অতি সংকীর্ণ। গতিকে এই কথা মনত ৰাখিবা যে অকামিলা বস্তু ব্যয় কৰি কোনেও ইয়াত প্রৱেশ কৰিব নোৱাৰে। কিয়নো ইয়াত স্পষ্ট নির্দেশ আছে: لَنْ تَنَالُوْا الْبِرَّحَتّٰى تُنْفِقُوْا مِمَّا تُحِبُّوْنَ। যেতিয়ালৈকে অতি আদৰৰ আৰু প্রিয়তম বস্তুসমূহ ব্যয় নকৰিবা, তেতিয়ালৈকে (আল্লাহৰ) প্রিয় আৰু নৈকট্যপ্রাপ্ত হোৱাৰ মর্যাদা লাভ কৰিব নোৱাৰিবা। যদি কষ্ট স্বীকাৰ কৰিব নিবিচৰা আৰু প্রকৃত পুণ্য অৱলম্বন কৰিব নিবিচৰা, তেন্তে কিদৰে সফল আৰু কৃতকার্য হ'ব পাৰিবা? ছাহাবা (ৰাঃ)-সকলে যি উচ্চ মর্যাদা লাভ কৰিছিল, সেয়া জানো তেওঁলোকে

বিনামূলীয়াকৈ লাভ কৰিছিল?... কথাটো এয়াই যে আল্লাহ তা'লাৰ সন্তুষ্টি যি প্ৰকৃত সুখৰ কাৰণ তেতিয়ালৈকে লাভ কৰিব নোৱাৰি যেতিয়ালৈকে ক্ষণস্থায়ী কষ্টসমূহ সহ্য কৰা নহয়।

হুজুৰ আনোৱাৰে কৈছে: এয়া সেই আত্মা (মনোভাৱ), যি হজৰত মছীহ মাওউদ (আঃ)-এ জামাতৰ মাজত সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। তেখেত (আঃ) ৰ ছাহাবীসকল (ৰাঃ) য়েও ত্যাগৰ ক্ষেত্ৰত ইমানেই আগবাঢ়ি গৈছিল যে তেখেত (আঃ) এ ক'বলগীয়া হৈছিল, "মই দেখিবলৈ পাওঁ যে আমাৰ জামাতত এনেকুৱা লোকো চামিল আছে যাৰ শৰীৰত কোনোমতেহে কাপোৰ থাকে, অতি কষ্টৰেহে চাদৰ বা পায়জামা জোগাৰ হয়; আৰু তেওঁলোকৰ নিষ্ঠা, আনুগত্য, ভক্তি আৰু প্ৰেম দেখি মনত আশ্চৰ্য আৰু বিস্ময়ৰ ভাৱ জাগি উঠে।" তেখেত (আঃ) এ যি পৰিৱৰ্তন সাধন কৰিলে, তাৰ আন কোনো নিদৰ্শন দেখিবলৈ পোৱা নাযায়।

আজি ত্যাগৰ এই মনোভাৱৰ যিমান উপলব্ধি এজন আহমদীৰ আছে, আন কাৰো নাই। আজি আমি জামাতৰ মাজত এনেকুৱা বহুতো উদাহৰণ দেখিবলৈ পাওঁ। এনে বহুত লোক আছে যিসকলে কেতিয়াও যুগৰ খলিফাক প্ৰত্যক্ষভাৱে দেখাও নাই; কেৱল এম.টি.এ. (MTA)-ত ছবি দেখিছে বা মাত শুনিছে, কিন্তু তথাপিও নিষ্ঠা আৰু আনুগত্যত ক্ৰমাৎ আগবাঢ়ি গৈ আছে। পৃথিৱীয়ে এই লোকসকলক নিচিনে; দেখাত এই লোকসকল কম শিক্ষিত, কিন্তু তেওঁলোকে পবিত্ৰ কোৰআনৰ শিক্ষাৰ মৰ্ম উপলব্ধি কৰে আৰু তাৰ ওপৰত আমল (কাম) কৰিবলৈ চেষ্টা কৰে।

ইয়াৰ এটা উদাহৰণ হ'ল গুৱাডেলু (Guadeloupe)- ৰ এজন নৱ-আহমদী, যিজনে শেহতীয়াকৈ ব্ৰিটেইনৰ জলছা ছালানাতো অংশগ্ৰহণ কৰিছিল আৰু মোকো সাক্ষাৎ কৰিছিল। ইয়াত তেওঁ দেখিলে যে জামাতে কিদৰে কাম কৰি আছে। তেওঁক জনোৱা হ'ল যে জামাতৰ এটা আৰ্থিক ব্যৱস্থাও আছে আৰু এইদৰে মানুহে চান্দা দিয়ে, আৰু ইয়াৰ জৰিয়তে ইছলামৰ প্ৰচাৰ-প্ৰসাৰৰ কি কি কাম চলি আছে। যেতিয়া তেওঁক এই ত্যাগসমূহৰ ব্যয়ৰ বিষয়ে জনোৱা হ'ল, তেতিয়া তেওঁ অত্যন্ত আনন্দ প্ৰকাশ কৰিলে আৰু ক'লে যে, "মই জলছা ছালানাত নিজ চকুৰে দেখিছোঁ যে জামাতে কিদৰে এই ধন-সম্পত্তি আল্লাহ তা'লাৰ পথত ব্যয় কৰে।" মিছনেৰী ছাহাবে লিখিছে যে এই ঘটনাটোৰ আন এটা ঈমান সঞ্জীৱিত কৰা দিশ হ'ল—যেতিয়া তেহেৰিক-এ-জাদিদৰ চান্দা দিয়াৰ অন্তিম দিন আছিল, তেতিয়া তেওঁ মোৰ ওচৰলৈ আহি ক'লে যে, "মোৰ এজন ছয় বছৰীয়া পুত্ৰ আছে। এয়া তাৰ তৰফৰ পৰা ছয় ইউৰো চান্দা।" তেওঁ কয় যে, "মই মোৰ পুত্ৰক কৈ থাকোঁ যে জামাতে কিদৰে ত্যাগ স্বীকাৰ কৰে। মই তাক পাৰ্কলৈ লৈ গৈছিলোঁ আৰু দোলনাত উঠাৰ টিকট ল'বলৈ ধৰোঁতে সি ক'লে যে মই আজি দোলনাত নুঠোঁ, বৰঞ্চ এই পইচাখিনি মোৰ তৰফৰ পৰা আল্লাহৰ পথত দি দিয়ক।" এয়া দেখাত এক সামান্য পৰিমাণৰ ধন, কিন্তু সেই শিশুটিৰ ফালৰ পৰা এয়া এক মহান ত্যাগ।

গিনি কোনাক্ৰীৰ (Guinea Conakry) এটা ঘটনা এয়া যে তোলা (Tola) ছাহাব এজন অতি দৰিদ্ৰ আহমদী। তেওঁ তেহেৰিক-এ-জাদিদৰ বাবে ত্ৰিশ হাজাৰ ফ্ৰাংক চান্দা লিখাইছিল। তেওঁ কয় যে, "মোৰ ছোৱালীজনীৰ বিয়াও আছিল। মই তাৰ বাবে ধন জমা কৰি থৈছিলোঁ। সেই সময়তে মুৰাল্লিম ছাহাব চান্দা ল'বলৈ আহিল। মই বিয়াৰ বাবে জমা কৰি থোৱা সেই ধনখিনি তেখেতক দি ক'লোঁ যে এয়া চান্দাত চামিল কৰি লওক। ইয়াৰ পিছত আল্লাহ তা'লাৰো এনে অনুগ্ৰহ হ'ল যে মোৰ এজন পুত্ৰ—যি বহু দিনৰ পৰা ফ্ৰান্সলৈ যোৱাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই গৈছিল আৰু যাৰ কোনো খা-খবৰ নাছিল, বৰঞ্চ ইমানেই পলম হৈছিল যে আমি ভাবিছিলোঁ সি বাটতে ক'ৰবাত (আল্লাহে নকৰক) মৃত্যুবৰণ কৰিছে—হঠাৎ এদিন তাৰ ফোন আহিল আৰু সি জনালে যে, 'মই ফ্ৰান্সত উপস্থিত হৈছোঁ,' আৰু এইটোও

ক'লে যে, 'মই আপোনালোকৰ খৰচৰ বাবে এটা ডাঙৰ পৰিমাণৰ ধন পঠিয়াই আছোঁ।' তেওঁ কয় যে এই কথাটোৱে মোৰ ঈমান বহুগুণে বৃদ্ধি কৰিলে যে চান্দা দিয়াৰ বাবেই এফালে মই মোৰ পুত্ৰৰ খবৰ পালোঁ আৰু আনফালে আল্লাহ তা'লাই কেইবাগুণো বৃদ্ধি কৰি মোক ধনখিনিও ওভতাই দিলে।

আৰ্জেণ্টিনাৰ মুৰব্বী ছাহাবে লিখিছে যে তাত নাছিৰ আৰ্কিওনেছ (Nasir Arquiones) ছাহাব নামৰ এজন নিষ্ঠাৱান আহমদী আছে, যিজন আৰ্জেণ্টিনাৰ প্ৰথম স্থানীয় আহমদী। তেখেত দেশখনৰ এজন সুপৰিচিত সাংবাদিক আছিল, কিন্তু কেইবছৰমানৰ পৰা শাৰীৰিকভাৱে অক্ষম হৈ পৰিছে। তেখেতৰ পৰিয়ালটোৱে নিৰন্তৰ আৰ্থিক অনাটনৰ সন্মুখীন হৈ আছে; কেতিয়াবা আনকি ঔষধ কিনিবলৈও হাতত পইচা নাথাকে। মুৰব্বী ছাহাবে কয় যে মই তেখেতক কৈছিলোঁ, "আপোনাৰ পৰিস্থিতি এনেকুৱা নহয় যে আপুনি চান্দা দিব পাৰিব, তথাপিও যদি বৰকতৰ বাবে কিবা দিব বিচাৰে তেন্তে দিব পাৰে।" এই কথা শুনি তেখেতে কেইদিনমানৰ পিছত নিজেই যোগাযোগ কৰি জনালে যে, "মই জামাতৰ একাউণ্টত চান্দাৰ ধন পঠিয়াই দিছোঁ।" পিছত দেখা গ'ল যে তেখেতে পঁচিশ ডলাৰ পঠিয়াইছিল। এয়া এক সামান্য পৰিমাণৰ ধন, কিন্তু তেখেতৰ ব্যক্তিগত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে এয়া আছিল এক অসাধাৰণ ত্যাগ।

বেনিনৰ (Benin) এটা ঘটনা এয়া যে এজন নৱ-আহমদী, যিজনে খ্ৰীষ্টান ধৰ্ম ত্যাগ কৰি আহমদীয়া জামাত গ্ৰহণ কৰিছিল, তেওঁৰ এখন সৰু দোকান আছে। তেওঁ কয় যে, "মোৰ হাতত দহ হাজাৰ ফ্ৰাংক আছিল। তেনেতে মোৰ ছোৱালীজনী মোৰ ওচৰলৈ আহি ক'লে যে মাচুল (ফিছ) নিদিয়াৰ বাবে স্কুল কৰ্তৃপক্ষই তাইক স্কুলৰ পৰা উলিয়াই দিছে। মই স্কুলৰ মাচুল দিবলৈ প্ৰস্তুতি চলাই আছিলোঁ। ঠিক তেনে সময়তে মুৱাল্লিম ছাহাব তেহেৰিক-এ-জাদিদৰ চান্দাৰ বাবে আহিল। মই সেই ধনখিনি চান্দাত দি দিলোঁ। ইয়াৰ পিছত আল্লাহৰ এনে কৃপা হ'ল যে সেইদিনা দোকানলৈ ইমানেই গ্ৰাহক আহিল যে দুই লাখ ফ্ৰাংক মূল্যৰ সামগ্ৰী বিক্ৰী হ'ল আৰু যথেষ্ট লাভ হ'ল। ফলত মই সেইদিনাই স্কুলৰ মাচুলো আদায় কৰিলোঁ।"

বহুতো লোকে এনে ঘটনা লিখি পঠিয়ায় যে আমি আৰ্থিক ত্যাগ স্বীকাৰ কৰোঁ আৰু দোৱা কৰোঁ। দোৱাৰ বাবে মৌলেও লিখি থাকে। এই ত্যাগসমূহৰ বাবে তেওঁলোকৰ আধৰুৱা কামবোৰ সুকলমে সম্পন্ন হৈ যায় আৰু সন্তানসকলৰো সংশোধন হয়।

কানাডাৰ পৰা লাজনা ইমাউল্লাহৰ তেহেৰিক-এ-জাদিদৰ নেচনেল চেক্ৰেটেৰীয়ে লিখিছে যে এগৰাকী লাজনা সদস্যই নিজৰ নাম প্ৰকাশ নকৰাকৈ জনাইছে যে, "মই সদায় মোৰ সামৰ্থ্য অনুসৰি চান্দা আদায় কৰি আহিছোঁ। যোৱা বছৰ হুজুৰে যি খোতবা প্ৰদান কৰিছিল, তাত হজৰত আম্মাজান (ৰাঃ)-ৰ উদাহৰণ দিছিল যে তেখেতে আৰম্ভণিতেই নিজৰ প্ৰতিশ্ৰুতি (ৱাদা) লিখাইছিল আৰু পিছত সেয়া পূৰণো কৰিছিল।" তেওঁ কয় যে, "মই ভাবিলোঁ ইয়াৰ ওপৰত আমল কৰোঁ, আৰু মই মোৰ প্ৰতিশ্ৰুতি লিখাই দিলোঁ আৰু আদায়ো কৰিলোঁ—যিটো মোৰ দুমাহৰ দৰমহাৰ সমান আছিল। তাৰ পিছত মই আল্লাহৰ বৰকতসমূহ এনেদৰে প্ৰত্যক্ষ কৰিলোঁ যেন কোনো লুকাই থকা গুপ্তধনহে লাভ কৰিলোঁ। বহুতো থমকি ৰোৱা কাম সম্পন্ন হৈ গ'ল। এটা ঘৰ অতি ভাল মূল্যত বিক্ৰী হ'ল আৰু আন এঠাইত নতুন ঘৰ কিনাৰো সৌভাগ্য মিলিল।"

ৰাছিয়াৰ মুবাল্লিগ ইনচাৰ্জে লিখিছে যে তাত এজন নিষ্ঠাৱান তথা ত্যাগী আহমদী আছে। এদিন জুম্মাৰ নামাজৰ পিছত তেওঁ মোক এটা উপযুক্ত পৰিমাণৰ ধন দিলে। মই ক'লোঁ যে আপোনাৰতো কোনো বকেয়া (বাকী) নাই। তেতিয়া তেওঁ ক'বলৈ ধৰিলে যে, "মই মোৰ পিতৃভূমিলৈ গৈছিলোঁ আৰু উভতি মস্কোলৈ আহোঁতে মোক আন দেশৰ

যাত্রীসকলৰ সৈতে বিমানবন্দৰত ৰখাই থোৱা হ'ল। আগতেও ইমিগ্রেচন বিষয়াসকলে অতি সৰু-সুৰা কথাত মানুহক ৰখাই ওভতাই পঠিয়াই দিয়ে। তেতিয়া মোৰ মনলৈ আহিল যে আল্লাহ তা'লাৰ পথত ব্যয় কৰিলে সদায় কাম সিদ্ধি হয়। মই শপত ল'লোঁ যে যদি মোক ওভতাই পঠিওৱা নহয়, তেন্তে মোৰ দেশলৈ যোৱা টিকটৰ মূল্যৰ সমান ধন মই আল্লাহৰ পথত দিম। অৱশেষত মোক এৰি দিয়া হ'ল আৰু মই মোৰ প্রতিশ্রুতি অনুসৰি এই ধনখিনি দি আছোঁ।"

আল্লাহৰ ফজলত (কৃপাত) তেহেৰিক-এ-জাদিদৰ ৯২তম বর্ষ যোৱা ৩১ অক্টোবৰত সমাপ্ত হ'ল। এতিয়া ১ নৱেম্বৰৰ পৰা ৯৩তম বর্ষ আৰম্ভ হৈছে, আৰু পাৰ হৈ যোৱা এই বছৰটোত জামাতে তেহেৰিক-এ-জাদিদৰ শিতানত ২০.২৮ নিযুত (মিলিয়ন) পাউণ্ডৰ ত্যাগ স্বীকাৰ কৰাৰ সৌভাগ্য লাভ কৰিছে। যোৱা বছৰৰ তুলনাত এয়া ৭ লাখ ২৭ হাজাৰ পাউণ্ড অধিক। চান্দাদাতাসকলৰ সংখ্যাতো যোৱা বছৰৰ তুলনাত ৪৬,৬১৬ (ছয়চল্লিছ হাজাৰ ছশ ষোল্ল) জনৰ বৃদ্ধি হৈছে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰে সামগ্রিক সংগ্রহৰ ফালৰ পৰা বিশ্বৰ শীর্ষ দহখন দেশৰ জামাতসমূহৰ স্থান উল্লেখ কৰে, য'ত ব্রিটেইন প্রথম স্থানত আছে। তাৰ পিছত ভাৰতৰ দহখন ৰাজ্যৰ স্থান উল্লেখ কৰি কয় যে প্রথম স্থানত আছে কেৰালা ৰাজ্য; আৰু তাৰ পিছত ভাৰতৰ দহটা জামাতৰ ক্রমানুসৰি স্থান ঘোষণা কৰি কয় যে হায়দৰাবাদ এক নম্বৰত আছে। তাৰ পিছত কইম্বাটুৰ (তামিলনাড়ু), তিনি নম্বৰত কাদিয়ান, তাৰ পিছত ক্রমে কালিকট, মেলাপ্পালায়ম, বাংগালুৰু, কেৰাং, কাৰুলাই, কলকাতা আৰু কান্নুৰ টাউন আছে।

হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে যে তেহেৰিক-এ-জাদিদৰ চান্দাৰ দ্বাৰা আফ্রিকাৰ ৬০১৭ টা মছজিদ, ৪০০২ টা মিছন হাউচ আৰু মুবাল্লিগ তথা মুৰাল্লিমসকলৰ ব্যয় বহন কৰা হয়। 'নুছৰত জাহান আঁচনি'ৰ অধীনত ১৩ খন দেশত ৬২০ খন বিদ্যালয় আৰু ১৪ খন দেশত ৪১ খন চিকিৎসালয় তথা ক্লিনিকে সেৱা আগবঢ়াই আছে। ইয়াৰ উপৰিও বিশ্ববিদ্যালয়সমূহ, বৃত্তি, ২৬ টা ৰেডিঅ' ষ্টেচন, এম.টি.এ. (MTA) ষ্টুডিঅ' আৰু বিশ্বৰ বিভিন্ন দেশত তবলিগী (ধর্মপ্রচাৰমূলক) আৰু শৈক্ষিক প্রকল্পসমূহত আর্থিকভাৱে সহায়তা আগবঢ়োৱা হয়। জামাতৰ সদস্যসকলৰ নিষ্ঠাপূর্ণ আর্থিক ত্যাগৰ জৰিয়তেই এই সকলোবোৰ মহান সেৱা চলি আছে, যিসকলৰ সীমিত সম্পদৰ পৰা অসাধাৰণ ফলাফল লাভ কৰা হৈছে।

তেহেৰিক-এ-জাদিদ আৰু অন্যান্য কেন্দ্রীয় চান্দাসমূহৰ জৰিয়তে জামাতৰ ব্যয়সমূহ পূৰণ কৰা হয়, যিবোৰ সদস্যসকলৰ নিষ্ঠাপূর্ণ ত্যাগ আৰু আল্লাহ তা'লাৰ কৃপাত সম্ভৱ হৈছে। আল্লাহ তা'লাই ত্যাগ স্বীকাৰ কৰা সকলো লোকৰ ধন-সম্পত্তি আৰু জীৱনত বৰকত দান কৰক আৰু তেওঁলোকক উত্তম প্রতিদানেৰে পুৰস্কৃত কৰক। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 6 Nov 2026

Nazarat Nashr-O-Ishaat Qadian